**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বৰ্তমানৰ প্ৰয়োজনখিনি মনত ৰাখিয়েই বিকশিত ভাৰত - নিয়োগ নিশ্চিত আৰু জীৱিকা অভিযান গ্ৰামীণ বিধেয়কখন সংসদত গৃহীত কৰা হৈছে বুলি প্ৰকাশ কৰে।

২। বাংলাদেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াৰ আজি পুৱা ঢাকাৰ এখন হাস্পতালত মৃত্যু হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দেশৰ স্বাধীনতা সংগ্ৰামত নেতাজী সুভাষ চন্দ্ৰ বসুৱে আগবঢ়োৱা অৱদানৰ কথা স্মৰণ কৰে।

৪। আন্তঃৰাষ্ট্ৰীয় ফুটবল সংস্থা, ফিফাই প্ৰকাশ কৰিছে যে অহা বছৰ হ'বলগীয়া বিশ্বকাপ ফুটবলৰ বাবে ১৫ কোটিৰো অধিক টিকটৰ অনুৰোধ লাভ কৰিছে।

*আৰু*

৫। ভাৰতৰ মহিলা ক্ৰিকেট দলটো আজি শ্ৰীলংকাৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব।

ooooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি কৈছে যে বৰ্তমানৰ প্ৰয়োজনখিনি মনত ৰাখিয়েই বিকশিত ভাৰত - নিয়োগ নিশ্চিত আৰু জীৱিকা অভিযান গ্ৰামীণ বিধেয়কখন সংসদত গৃহীত কৰা হৈছে। বিকশিত ভাৰত - জি ৰাম জি বিধেয়কে পূৰ্বৰ এম জি এনৰেগা আঁচনিৰ দোষ-ত্ৰুটিসমূহ নাইকিয়া কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ভূপালৰ এখন সংবাদ মেলত আঁচনিখনৰ নাম সলনিক লৈ বিৰোধীয়ে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত শ্ৰীচৌহানে কয় যে পূৰ্বে বিৰোধী দলসমূহ ক্ষমতাত থকাৰ সময়তে বিভিন্ন সময়ত নিয়োগ সম্বন্ধীয় আঁচনিসমূহৰ নাম সলনি কৰা হৈছিল। তেওঁ কয় যে বিকশিত ভাৰত - জি ৰাম জিক অধিক ফলপ্ৰসূ কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰীৰ গতিশক্তি আঁচনিৰ সৈতে সংযুক্ত কৰা হৈছে। এই অভিযানৰ অধীনত আইন অনুসৰি নিবনুৱা ভাট্টা আৰু প্ৰয়োজন সাপেক্ষে বিত্তীয় সাহায্য দিয়াৰো স্পষ্ট ব্যৱস্থা আছে বুলি মন্ত্ৰী চৌহানে প্ৰকাশ কৰে।

বাইট (চৌহান)

বিৰোধীক সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে লোকসভাত এই বিধেয়কখনক লৈ ৮ ঘণ্টাৰো অধিক বিতৰ্ক অনুষ্ঠিত হৈছিল, কিন্তু বিৰোধী সাংসদসকলে তেওঁৰ বক্তব্যলৈ কাণ নিদি কেৱল হুলস্থূলীয়া পৰিৱেশ সৃষ্টিতহে ব্যস্ত আছিল। তেওঁ কয় যে সংসদৰ মৰ্যাদা এই বিতৰ্কৰ সময়ত বিৰোধীয়ে অৱনমিত

কৰিছিল। শ্ৰীচৌহানে অভিযোগ কৰে যে এই গুৰুত্বপূৰ্ণ আলোচনা কালত আনকি লোকসভাৰ বিৰোধী দলপতিগৰাকীও সদনত অনুপস্থিত আছিল। পঞ্জাব চৰকাৰে বিধানসভাত বিকশিত ভাৰত - জি ৰাম জি আইনৰ বিৰুদ্ধে প্ৰস্তাৱ গ্ৰহণ কৰা কাৰ্যক দেশৰ ফেডাৰেল গাঁথনিৰ পৰিপন্থী বুলিও মন্ত্ৰী চৌহানে উল্লেখ কৰে।

ooooooo

বাংলাদেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াৰ আজি পুৱা ঢাকাৰ এখন হাস্পতালত মৃত্যু হয়। দুৰাৰোগ্য ৰোগত ভুগি থকা বাংলাদেশ নেশ্যনেলিষ্ট পাৰ্টী, বি এন পিৰ নেত্ৰীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ। ১৯৪৬ চনৰ ১৫ আগষ্টত তেতিয়াৰ পূব পাকিস্তানৰ দিনাজপুৰত জন্মগ্ৰহণ কৰা খালেদা জিয়া ১৯৬০ চনত তেতিয়াৰ পাকিস্তান সেনাবাহিনীৰ বিষয়া জিয়াউৰ ৰহমানৰ লগত বিবাহপাশত আৱদ্ধ হয়। জিয়াউৰ ৰহমানে ১৯৭১ চনত বাংলাদেশৰ মুক্তিযুদ্ধৰ সময়ত প্ৰথম বাংলাদেশৰ স্বাধীনতাৰ ঘোষণা ৰেডিঅ' পাকিস্তান ছট্টগ্ৰামৰ পৰা প্ৰচাৰ কৰি পাকিস্তানৰ বিৰুদ্ধে মুক্তি বাহিনীৰ সংগ্ৰামৰ সূচনা কৰে। পৰৱৰ্তী কালত ১৯৭৭ চনত সামৰিক অভ্যুত্থানৰ জৰিয়তে জিয়াউৰ ৰহমান প্ৰথমে সামৰিক প্ৰশাসক আৰু পাছত বাংলাদেশৰ ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হয়। ১৯৮১ চনত আন এটা ব্যৰ্থ সামৰিক অভ্যুত্থানত জিয়াউৰ ৰহমানৰ হত্যাৰ পাছত বেগম খালেদা জিয়াই স্বামীৰ দ্বাৰা প্ৰতিষ্ঠিত বাংলাদেশ নেচনেলিষ্ট পাৰ্টীৰ নেতৃত্ব গ্ৰহণ কৰে। ১৯৯০ চনত বাংলাদেশৰ সাধাৰণ নিৰ্বাচনত বিজয়ী হৈ জামাত-ই-ইছলামীৰ সহযোগত খালেদা জিয়াই চৰকাৰ গঠন কৰে। ২০০৪ চনত বিস্ফোৰণৰ ঘটনাত দোষী সাব্যস্ত বুলি শ্বেখ হাছিনা চৰকাৰে খালেদা জিয়াক ১৭ বছৰৰ কাৰাদণ্ড বিহে আৰু ইয়াৰ পাছতে তেওঁ লণ্ডনত স্বনিৰ্বাসন যাপন কৰে।

২০২৪ চনৰ ছাত্ৰবিক্ষোভৰ পৰৱৰ্তী পৰ্যায়ত মহম্মদ ইউনুছৰ নেতৃত্বত তত্বাৱধায়ক চৰকাৰ গঠনৰ পাছতেই খালেদা জিয়াই লণ্ডনৰ পৰা বাংলাদেশলৈ প্ৰত্যাৱৰ্তন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেগম খালেদা জিয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীয়ে ২০১৫ চনত বেগম খালেদা জিয়াৰ সৈতে তেওঁৰ বৈঠকৰ বিষয়ে স্মৰণ কৰে আৰু ভাৰতৰ সৈতে থকা তেওঁৰ সুসম্পৰ্কৰ কথা উল্লেখ কৰে।

ooooooo

মুম্বাইৰ পশ্চিম ভান্দুপ অঞ্চলত যোৱা নিশা সংঘটিত এটা শোকাৱহ বাছ দুৰ্ঘটনাত ৪ গৰাকী লোকৰ মৃত্যু হয়। নিশা প্ৰায় ১০ বজাত সংঘটিত দুৰ্ঘটনাটোত অন্য ৯ গৰাকী লোক আহত হোৱাৰ বাতৰি আহিছে। বৃহনমুম্বাই ইলেকট্ৰিক ছাপ্লাই এণ্ড ট্ৰান্সপৰ্টৰ এখন বাছে পথচাৰীক মহতিয়াই নিয়াৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। নিহতসকলৰ ভিতৰত ৩ গৰাকী মহিলা আছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। আহত লোকসকলক নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বাছখনৰ চালকক আৰক্ষীয়ে ইতিমধ্যে আটক কৰিছে।

প্ৰধানমন্ত্ৰীয়ে নৰেন্দ্ৰ মোডীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱা লোক সকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোডীয়ে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰাৰ লগতে এই দুৰ্ঘটনাত আহত লোকসকলৰ আশু আৰোগ্য কামনা কৰে।

ইপিনে, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে দুৰ্ঘটনাত নিহত চাৰিওগৰাকী লোকৰ নিকটত্মীয়ক ৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছে। এই দুৰ্ঘটনাক অতি দুৰ্ভাগ্যজনক আখ্যা দি তেওঁ নিহত লোকসকলৰ পৰিয়ালৰ্লৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দেশৰ স্বাধীনতা সংগ্ৰামত নেতাজী সুভাষ চন্দ্ৰ বসুৱে আগবঢ়োৱা অৱদানৰ কথা স্মৰণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোডীয়ে কয়, যে ১৯৪৩ চনৰ ৩০ ডিচেম্বৰত নেতাজী সুভাষ চন্দ্ৰ বসুৱে প'ৰ্ট ব্লেয়াৰত অতি সাহসেৰে ত্ৰিৰংগা পতাকা উৰুৱাইছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ইতিহাসৰ এই মুহূৰ্তটোৱে জাতিক এই কথা সোঁৱৰাই থাকে যে স্বাধীনতা কেৱল মাত্ৰ আকাংক্ষাৰ দ্বাৰাই লাভ কৰিব নোৱাৰি। সাহস, কঠোৰ পৰিশ্ৰম, ন্যায় আৰু সমূহীয়া সংকল্পই দেশৰ স্বাধীনতা প্ৰাপ্তিত বিশেষ সহায় আগবঢ়োৱা বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

উত্তৰাখণ্ডৰ আলমোৰা জিলাৰ বিনায়ক অঞ্চলত আজি সংঘটিত এটা বাছ দুৰ্ঘটনাত ৬ জন লোকৰ মৃত্যু হৈছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীৰ সূত্ৰ অনুসৰি বাছখনে ১৭-১৮ জন যাত্ৰী কঢ়িয়াই ভিকিয়াছাইনৰ পৰা ৰামনগৰলৈ গৈ থকা অৱস্থাত দুৰ্ঘটনাটো সংঘটিত হয়। আহত সকলক ভিকিয়াছাইনৰ হাস্পতালত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছতে প্ৰশাসন আৰু উদ্ধাৰকাৰী বাহিনীলোক ঘটনাস্থলীত উপস্থিত হয় আৰু তেওঁলোকে উদ্ধাৰ অভিযান চলাই আছে।

০০০০০০০০

কম্বোডিয়াই থাইলেণ্ডৰ সৈতে থকা সীমান্তৱৰ্তী অঞ্চলত অনুমতি অবিহনে ড্ৰোন উৰণত নিষেধাজ্ঞা আৰোপ কৰিছে। কম্বোডিয়াৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ তথ্যত জনসাধাৰণ আৰু সৈনিকৰ নিৰাপত্তা তথা সুৰক্ষাজনিত কাৰণত এনে নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি প্ৰকাশ কৰা হ'ব।

কম্বোডিয়াৰপৰা ২৫০ খনতকৈও অধিক মানৱ বিহীন ড্ৰোনে থাইলেণ্ডৰ আকাশমাৰ্গত প্ৰৱেশ কৰা বুলি অভিযোগ উত্থাপন হোৱাৰ পাছতে এই নিৰ্দেশ জাৰি কৰা হয়। দুয়োখন দেশৰ মাজত শেহতীয়াকৈ হোৱা সংঘাতৰ অন্ত পেলোৱাৰ উদ্দেশ্যে কম্বোডিয়া আৰু থাইলেণ্ডে যোৱা ২৭ ডিচেম্বৰত এখন শান্তি চুক্তিত স্বাক্ষৰ কৰিছিল।

০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় ফুটবল সংস্থা, ফিফাই প্ৰকাশ কৰিছে যে অহা বছৰ মেক্সিকো, কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত হ'বলগীয়া বিশ্বকাপ ফুটবলৰ বাবে ১৫ কোটিৰো অধিক টিকটৰ অনুৰোধ লাভ কৰা হৈছে। টিকটৰ অনুৰোধে এইবাৰৰ বিশ্বকাপত অভিলেখ গঢ়িছে। নিৰ্বাচিত টিকট দিয়াৰ কাম চলিত বছৰৰ ১১ ডিচেম্বৰত আৰম্ভ হৈছিল আৰু অহা বছৰৰ ১৩ জানুৱাৰীত এই প্ৰক্ৰিয়া সমাপ্ত হ'ব। বিশ্বকাপ ফুটবলৰ খেলসমূহ অহা বছৰৰ ১১ জুনৰ পৰা অনুষ্ঠিত হ'ব আৰু ১৯ জুলাইত প্ৰতিযোগিতাৰ অন্ত পৰিব। এইবাৰৰ খেলসমূহ তিনিওখন দেশৰ ১৬খন মহানগৰত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অভিলেখসংখ্যক ৪৮টা দলে অংশগ্ৰহণ কৰিব আৰু মুঠ ১০৪খন খেল অনুষ্ঠিত হ'ব।

০০০০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলটো আজি শ্ৰীলংকাৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন কেৰালাৰ তিৰুৱনন্তপুৰমৰ গ্ৰীন ফিল্ড

আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। হৰমন প্ৰীত কৌৰ নেতৃত্বৰ ভাৰতৰ দলটোৱে ইতিমধ্যে শৃংখলাৰ চাৰিখন খেলত বিজয়ী হৈ অগ্ৰগতি লাভ কৰিছে। দেওবাৰে অনুষ্ঠিত শৃংখলাৰ চতুৰ্থখন খেলত ঘৰুৱা দলটোৱে ৩০ ৰানৰ ব্যৱধানত জয়লাভ কৰিছিল।

অহা বৰ্ষৰ জুন-জুলাইত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ প্ৰতি লক্ষ্য ৰাখি চলিত শৃংখলাটো ভাৰতীয় দলৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। অহা মাহত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত অংশ ল'বলগীয়া খেলুৱৈসকলেও এই শৃংখলাৰ জৰিয়তে প্ৰস্তুতিৰ সুযোগ লাভ কৰিছে।

oooooooo

ভাৰতৰ অৰ্জুন এৰিগাইচিয়ে কাটাৰৰ ডোহাত চলি থকা চলিত বৰ্ষৰ এফ আই ডি ই বিশ্ব ব্লিট্‌জ ডবা প্ৰতিযোগিতাৰ প্ৰথম দিনৰ অন্তত পইণ্ট তালিকাৰ শীৰ্ষ স্থানত উপনীত হৈছে। প্ৰতিযোগিতাৰ মুকলি শিতানত ১৩টা ৰাউণ্ডৰ অন্তত লাভ কৰা ১০ পইণ্টৰ সুবাদত খেলুৱৈগৰাকী সম্প্ৰতি মেক্সিম ভাছিয়াৰ লাগ্ৰেভ আৰু ফেবিয়ানো কাৰোৱানাৰ সৈতে পইণ্ট তালিকাৰ শীৰ্ষত আছে। প্ৰতিযোগিতাত খেলুৱৈগৰাকীয়ে কালি নৱম ৰাউণ্ডত নৰৱেৰ গ্ৰেণ্ড মাষ্টাৰ মেগনাছ্ কাৰ্লচেনক পৰাস্ত কৰে।

oooooooo

সমাপ্ত